# পৌল আৰু বাৰ্নববাই বিভিন্ন সংস্কৃতিৰ মাজত কাম কৰিছিল

## আন সংস্কৃতিৰ মাজত মণ্ডলী আৰম্ভ কৰিবলৈ ঈশ্বৰে কিছুমান কৰ্ম্মচাৰীক পঠিয়াইছিল

লৰা-ছোৱালীক শিকোৱা সকলে T4b অধ্যয়ন পঢ়া উচিত

**১। সংস্কৃতিৰ কৰ্ম্মচাৰী পঠিয়াবলৈ প্ৰাৰ্থনা আৰু বাক্যৰে আপোনাৰ অন্তৰ প্ৰস্তুত কৰক।**

**প্ৰাৰ্থনা ঃ** “প্ৰভু, আমাৰ মণ্ডলীবিলাকক আপুনি পাঁচনি সকলক দিছে। আন সংস্কৃতিৰ লোকক প্ৰেম কৰিবলৈ আৰু তেওঁলোকৰ মাজত আপোনাৰ বাবে কাম কৰিবলৈ তেওঁলোকক আৰু আমাক শিকাওক।’”

**পটভূমি ঃ** বাইবেলত, অযিহূদী লোকক পৰজাতি বোলা হৈছে। পুৰণি আৰু নতুন নিয়মত প্ৰতিজ্ঞা কৰা আছে যে পৃথিবীৰ আটাই লোকে যীচুৰ বিষয়ে শুভবাৰ্ত্তা শুনিব।

পাঁচনিৰ কৰ্ম্ম **১৪:৮-১৪** পদত চাওক, আমি আন লোকৰ সংস্কৃতি নাজানিলে কি ঘটিব পাৰে চাওক।



*লুকায়নীয় সকলে দেৱতাৰূপে পৌল আৰু বাৰ্নব্বালৈ বলিদান দিব চেষ্টা কৰিছিল।*

- ঈশ্বৰৰ ক্ষমতা দেখুৱাবলৈ পৌল আৰু বাৰ্নববাই কি কৰিলে। *(১৪:৮-১০)*
- খোৰা মানুহজনক কোনে সুস্থ কৰিলে বুলি লুকায়নীয়া বিলাকে ভাবিলে। *(১১-১২)*
- মানুহবিলাকে পৌল আৰু বাৰ্নব্বাৰ কাৰণে কি কৰিবলৈ ইচ্ছা কৰিলে। *(১৩)*
- পৌল আৰু বাৰ্নব্বাই তেওঁলোকক কি বৰ্ণনা কৰিলে। *(১৪-১৫)*

**আদিপুস্তক ১২:১-৪** পদত চাওক, সকলো মানুহৰ গোটবিলাকলৈ ঈশ্বৰৰ অপৰিবৰ্ত্তনীয় উদ্দেশ্য (জাতি, গোষ্ঠী আৰু সংস্কৃতিবোৰ)। প্ৰত্যেক প্ৰশ্নৰ শেষত উত্তৰ দিয়া আছে।

- অব্ৰাহামক কলৈ যাবলৈ ঈশ্বৰে কৈছিল। *(১ পদ)*
- তাত গৈ অব্ৰাহামৰ কি হ’ব। *(২ পদ)*
- অব্ৰাহামৰ সংস্পৰ্শত থকা কোন মানুহবিলাক আশীৰ্ব্বাদ প্ৰাপ্ত হব। *(৩ পদ)*
- ঈশ্বৰৰ প্ৰতিজ্ঞা সিদ্ধ হবলৈ অব্ৰাহামে কি কৰিছিল। *(৪ পদ)*

**গালাতীয়া ৩:৮-১৪** পদত চাওক, অব্ৰাহামলৈ কৰা প্ৰতিজ্ঞা কিদৰে সিদ্ধ হৈছিল ঃ

- পৰজাতি বিলাকৰ বিভিন্ন সংস্কৃতিৰ মানুহৰ কাৰণে ঈশ্বৰে কি কৰিবলৈ ইচ্ছা কৰে? *(৩:৮)*
- ঈশ্বৰৰ আশীৰ্ব্বাদ পাবলৈ পৰজাতিবিলাকে কি কৰা উচিত? *(৯)*
- যিহূদী বিধান পালন নকৰাকৈ মানুহবিলাকে আশীৰ্ব্বাদ পাবলৈ খ্ৰীষ্টে কি কৰিলে? *(১৩)*
- অব্ৰাহামলৈ কৰা প্ৰতিজ্ঞাৰ আশীৰ্ব্বাদৰ কি ভাগ আটাই জাতিৰ খ্ৰীষ্টত বিশ্বাসীসকলে বিশ্বাসেৰে আজি পাইছে? *(১৪ পদ)*

পাঁচনিৰ **কৰ্ম্ম ১০:১১-২৮** পদত চাওক, আন সংস্কৃতিৰ লগত কাম কৰা সকলৰ ভাব-চিন্তা কেনে হোৱা উচিত।

- ঈশ্বৰৰ দৰ্শনৰ দ্বাৰাই পিতৰে কি শুনিলে। *(১০:১১-১৬)*
- আন সংস্কৃতিৰ মানুহৰ লগত কাম কৰিবলৈ সুবিধা পাওঁতে আমি কিদৰে কাম কৰা পবিত্ৰ আত্মাই বিচাৰে। *(১৮-২৩)*
- আন সংস্কৃতিৰ গোটৰ লগত কাম কৰোঁতে আমাৰ ভাৰধাৰা কেনে হোৱা উচিত। *(২৪-২৭)*
- আমাৰ নিজৰ সংস্কৃতিয়ে ভাল নোপোৱা সংস্কৃতিৰ প্ৰতি আমাৰ ভাবধাৰা কেনে হোৱা উচিত। *(২৮)*

পাঁচনিৰ **কৰ্ম্ম ১৫:১-৩১** পদত চাওক সংস্কৃতিৰ প্ৰভেদৰ সমাধা কৰিবলৈ অনেক মণ্ডলীবিলাকে কিদৰে একেলগে কাম কৰে।

**২। অহা সপ্তাহৰ কামবোৰৰ আঁচনি সহকৰ্ম্মীসকলৰ লগত কৰক।**

আপোনাৰ চহৰ আৰু অঞ্চলত থকা বিভিন্ন সংস্কৃতিৰ গোটবিলাক **চিনাক্ত কৰক**।

**আলোচনা কৰক,** খ্ৰীষ্টিয়ান মিশ্যন আৰু মণ্ডলীবোৰৰ পৰা কোন গোটবিলাক অধিক অৱহেলিত। আপোনাৰ সংস্কৃতিৰ লগত সেই গোটবোৰ কিদৰে মিলে আৰু কিদৰে পৃথক?

সেই সংস্কৃতিৰ গোটবোৰৰ গুৰুত্বপূৰ্ণ বিষয়বোৰ **বিচাৰি চাওক** ঃ

- গোটত কিমান মানুহ আছে?
- তেওঁলোকৰ ভিতৰত কিমান ভাগ খ্ৰীষ্টিয়ান?
- তেওঁলোকৰ ইতিমধ্যে কিমান খ্ৰীষ্টিয়ান মণ্ডলী আৰু সৰু গোটবোৰ আছে?
- আপোনাৰ মিশ্যন আৰু মণ্ডলীৰ উপৰিও, আপোনাৰ সহযোগত সেই সংস্কৃতিৰ লগত কাম কৰিব পাৰে?
- তেওঁলোকৰ বিশ্বাস আৰু ৰীতি-নিয়ম কিদৰে আপোনাৰ গোটৰ লগত মিলে? আপোনাৰ পৰা পৃথক?

**আলোচনা আৰু আঁচনি কৰক -**

- আপোনাৰ মণ্ডলীৰ কোন কাম কৰা লোকক সেই অৱহেলিত লোকৰ মাজত কাম কৰিবলৈ পঠিয়াব পাৰি? (অন্য সংস্কৃতিৰ লগত কাম কৰাৰ কাৰ যোগ্যতা আছে?)
- তেওঁলোকক কাম কোনে শিকাব?
- তেওঁলোকক সেই কামত কেনেকৈ সহায় কৰিব? পৌলৰ দৰে তেওঁলোকে নিজৰ ভৰণ-পোষণ দিব পাৰিবনে, যিদৰে কৰিন্থত পৌলে তম্বু তৈয়াৰ কৰিছিল (পাঁচনিৰ কৰ্ম্ম ১৮:১-৩)?
- আপোনাৰ মণ্ডলীয়ে তেওঁলোকক কেতিয়া পঠিয়াব?

শিক্ষক আৰু পৌল-তীমথিয় সজুঁলি পঠিয়াবলৈ **ব্যৱস্থা কৰক**।

**৩। হবলগীয়া মণ্ডলীৰ উপাসনাৰ আঁচনি সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

বৰ্ত্তমানৰ প্ৰয়োজনত খাপ খুউৱা, আৰু যিহৰ বাবে আপোনাৰ সময় আছে এনে কাম **বাচি লওক**।

**কওক** অথবা নাট কৰক, যি প্ৰথম ভাগত আপুনি অধ্যয়ন কৰিলে, আৰু একে প্ৰশ্নবোৰকে কৰক ঃ

- পৌল আৰু বাৰ্ণব্বাই কাম কৰোঁতে লুস্ত্ৰাত কি ঘটিল *(পাঁচনিৰ কৰ্ম্ম ১৪:৮-১৪)।*
- গোটেই জাতিৰ বিষয়ে অব্ৰাহামক ঈশ্বৰে কি প্ৰতিজ্ঞা কৰিলে *(আদিপুস্তক ১২:১-৪)।*
- এই প্ৰতিজ্ঞাৰ বাবে আমি কিদৰে ঈশ্বৰৰ পবিত্ৰ আত্মা পাওঁ *(গালাতীয়া ৩:৮-১৪)।*
- যিহুদীবিলাকে ভাল নোপোৱা এটা সংস্কৃতি গোটৰ সম্বন্ধে পিতৰৰ চিন্তাধাৰা ঈশ্বৰে কিদৰে পৰিৱৰ্তন কৰিলে *(পাচঁনিৰ কৰ্ম ১০:১১-২৮)*

পাঁচনিৰ **কৰ্ম্ম ১৫** অধ্যায়ৰ পৰা **ব্যাখা কৰক** যে পৰজাতিবিলাকে পৰিত্ৰাণ পোৱা আগেয়ে তেওঁলোকে যিহুদী ৰীতি-নীতি গ্ৰহণ কৰিব লাগিব বুলি যিহুদী সংস্কৃতিৰ খ্ৰীষ্টিয়ানবিলাকে কিয় ভাবিছিল, আৰু এই সমস্যা তেওঁলোকে কিদৰে

সমাধা কৰিছিল ঃ

- বিভিন্ন মণ্ডলীৰ বৃদ্ধসকলে পাঁচনিবিলাকৰ লগ হৈ এই অসন্মতিৰ বিষয়ে আলোচনা কৰিছিল।
- কৰ্ণীলিয়ৰ গোটে যিহূদী নহৈও কিদৰে পবিত্ৰ আত্মা পাইছিল, পিতৰে ক'লে *(১৫:৮-৯)।*
- পৰজাতিবিলাকৰ কাৰণে ঈশ্বৰে কিদৰে আচৰিত কৰ্ম্ম কৰিলে বাৰ্ণববা আৰু পৌলে জনাইছিল *(১২ পদ)।*
- খ্ৰীষ্টিয়ান হ'বলৈ পৰজাতিবিলাকে সংস্কৃতি সলনি কৰিব নালাগে বুলি যাকোবে কৈছিল *(১৯ পদ)।*

**অন্য সংস্কৃতিৰ লগত** কাম কৰি থকা জনক, ঈশ্বৰে কৰা কাৰ্য্যৰ বিষয়ে ক'বলৈ দিয়ক।

**লৰা-ছোৱালীয়ে** যুগুত কৰা বিষয়বোৰ পৰিবেশন কৰিবলৈ দিয়ক।

**প্ৰভুৰ ভোজ** পালন কৰিবলৈ যিচয়া ৫৩ অধ্যায় পঢ়ক।

আন সংস্কৃতিৰ গোটে পৰিত্ৰাণ পাবলৈ প্ৰাৰ্থনা কৰিবলৈ আৰু তেওঁলোকলৈ শুভবাৰ্তা নিবৰ অৰ্থে বিশ্বাসীসকলক **সৰু গোটবোৰ** গঠন কৰিবলৈ দিয়ক।

**মুখস্থ কৰক**, প্ৰকাশিত বাক্য ৭:৯।

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.